৪.৩ অসমৰ ভক্তি আন্দোলন — সূচনা আৰু বিকাশ

অসমত ভক্তি আন্দোলনৰ কেন্দ্রীয় ব্যক্তিত্ব আছিল শংকৰদেৱ। শংকৰদেৱৰ পূৰ্বৰ সময়ছোৱাৰ অসমৰ বৈষ্ণৱ ধৰ্ম আছিল মূলতঃ তান্ত্রিকতা আধাৰিত। তেতিয়া এফালে আদিম জনগোষ্ঠীয় সমাজৰ যাদুমূলক আচাৰ-অনুষ্ঠান আৰু আনফালে ব্রাহ্মণ্যবাদী হিন্দু ব্যৱস্থাই অসমৰ ধৰ্মীয় জগতখন অধিকাৰ কৰি আছিল। কামাখ্যা, কেঁচাইখাতী গোঁসানীৰ তাম্রেশ্বৰী মন্দিৰ আছিল তান্ত্রিক শাক্ত ধৰ্মৰ পীঠস্থান। ইয়াৰ লগতে অৱক্ষয়িত বৌদ্ধধৰ্মৰ সংযোগত ধৰ্মীয় ব্যৱস্থাটো মানৱিকতাৰ দৃষ্টিৰে স্থবিৰ হৈ পৰিছিল। জীৱ-জন্তুৰ বলিৰ উপৰি নৰবলিও সংঘটিত হৈছিল ধৰ্মৰ নামত। অসমৰ জনসাধাৰণৰ সৰহ অংশ ধৰ্মীয় শোষণৰ বলি হৈছিল। 'ভোগী' নামৰ একশ্রেণীৰ শাক্তপন্থীলোকে স্বইচ্ছাই দেৱীৰ আগত বলি যাবলৈ আগবাঢ়িছিল আৰু শাৰদীয় দেৱীপূজা পৰ্যন্ত তেওঁলোকে সকলো তিৰোতাক যৌনসম্ভোগ কৰাৰ অধিকাৰ ভোগ কৰিছিল। পঞ্চ ম-কাৰ (মদ-মাংস-মাছ-মৈথুন আৰু মন্ত্র) পূজা ধৰ্মীয় বিধি আছিল। এনে ধৰ্মীয় ব্যৱস্থাৰ মাজত নৈতিক অৱক্ষয় আছিল তেনেই সুলভ আৰু আধ্যাত্মিক উত্তৰণৰ পথ আছিল ৰুদ্ধ। আনহাতে, ধৰ্মীয় ব্যৱস্থাটোত ব্রাহ্মণৰ অবিসম্বাদী কৰ্তৃত্ব স্বীকৃত আছিল। অসমৰ জনগাঁথনিত ভাৰতৰ অন্যপ্রান্তৰ দৰে বর্ণব্যৱস্থা (জাত-পাত বিচাৰ) ইমান দৃঢ় নাছিল যদিও আৰ্যীকৰণৰ মাজেদি হিন্দু হোৱা তথা শূদ্র ৰূপে জন্মা বা স্থান পোৱা লোকসকলৰ প্রতি সামাজিক ব্যৱস্থা বৰ সদয় নাছিল।

এনে পৰিৱেশত শংকৰদেৱে সামাজিক উত্তৰণৰ পথৰ সন্ধান কৰিছিল। তেওঁ দেখিছিল যে সমাজ ব্যৱস্থাটো সম্পূর্ণ ধৰ্মকেন্দ্রিক। ধৰ্মক বাদ দি সমাজ জীৱনৰ কোনো বিষয় সম্পর্কে চিন্তা কৰিব নোৱাৰি। সেয়ে তেওঁ ধৰ্মীয় সংস্কাৰৰ কথাই চিন্তা কৰিলে। শংকৰদেৱ নিজে শাক্ত পৰিয়ালত জন্ম ল'লেও বৈষ্ণৱ ধৰ্মকহে এই সংস্কাৰ জাগৰণৰ আধাৰ আৰু মাধ্যম হিচাপে গ্রহণ কৰিলে। তেওঁ সনাতন হিন্দু ধৰ্মগ্রন্থৰ মাজতে তাত্ত্বিক আধাৰ বিচাৰিছিল আৰু এই কাৰ্যত প্রেৰণা পাইছিল তীর্থ ভ্রমণৰ জৰিয়তে প্রত্যক্ষ কৰা ভাৰতৰ ভক্তি জাগৰণৰ অভিজ্ঞতাবোৰৰ পৰা। ভাৰতৰ বিভিন্ন স্থানত কবীৰ, নানক, টুকাৰাম, ৰামানন্দ, মীৰাবাঈ, চৈতন্যদেৱ আদি সন্তই যি কৰিছিল অসমৰ শংকৰদেৱেও প্রায় একেধৰণৰ নীতি-আদর্শৰে সামাজিক জাগৰণৰ চেষ্টা কৰিছিল।

তীর্থৰ পৰা নতুন চেতনাৰে ঘূৰি আহি এখনৰ পিছত এখনকৈ গ্রন্থ অসমীয়াত ৰচনা কৰে আৰু সংস্কৃতৰ মাজত সাঁথৰ হৈ থকা ঈশ্বৰ বিষয়ক, আধ্যাত্মিক মুক্তি বিষয়ক কথাবোৰ সাধাৰণজনৰ বাবে প্রচাৰ কৰাত লাগি পৰে। তেওঁ *ভাগৱতৰ* সৰহভাগ অনুবাদ কৰে। *ভাগৱত* পুৰাণৰ আধাৰতে কৃষ্ণক তেওঁ একমাত্র উপাস্য দেৱতা হিচাপে অসমৰ ধৰ্মীয় পৰম্পৰাত প্রতিষ্ঠা কৰিলে। এই কাৰ্যত শংকৰদেৱে ৰক্ষণশীল মহলৰ পৰা বাধা পাইছিল। কেতিয়াবা ৰাজনৈতিক কাৰণতো তেওঁ সঘনাই ঠাই সলাই ফুৰিবলগীয়া হৈছিল। কিন্তু তেওঁ য'লৈকে গৈছিল তাতেই এখন নতুন বুনিয়াদ ঠন ধৰি উঠিছিল। অন্যহাতে আহোম শাসনৰ পৰিসৰ বৃদ্ধি পোৱাৰ সমান্তৰালভাৱে সামাজিক শৃংখলা ক্রমশঃ ভক্তিধৰ্মৰ অনুকূলে বিকশিত হৈছিল। পৰৱর্তী সময়ত মাধৱদেৱ, নাৰায়ণ দাস ঠাকুৰ আতা, দামোদৰদেৱ আদি ভক্তসকলৰ জৰিয়তে ভক্তিধৰ্মৰ সোঁত

প্ৰভাৱ পৰিছিল। কুৰুৱাবাহী, গড়মূৰ, দক্ষিণপাট আৰু আউনীআটী এই ধাৰাৰে উল্লেখযোগ্য সত্ৰ।

এইসকলৰ উপৰি মহাপুৰুষীয়া ভক্তিধৰ্মৰ অন্য কেইগৰাকীমান প্ৰধান প্ৰচাৰক হ'ল মথুৰাদাস বুঢ়া আতা, নাৰায়ণ দাস ঠাকুৰ আতা, পুৰুষোত্তম ঠাকুৰ, চতুৰ্ভুজ, কনকলতা আই, কেশৱচৰণ, বদুলা পদ্ম আতা, বৰবিষ্ণু আতা আদি। সত্যেন্দ্ৰনাথ শৰ্মাই ভক্তি আন্দোলনৰ ব্যাপ্তিৰ ছটা কাৰণ দেখুৱাইছে —

- খৰছী আৰু বাহুল্য আচাৰ-ৰীতিৰ ঠাইত সৰল উপাসনা পদ্ধতি,
- প্ৰচাৰক সন্তসকলৰ চৰিত্ৰ আৰু ব্যক্তিত্বৰ মহত্ব,
- কোচৰজা নৰনাৰায়ণ আৰু লক্ষীনাৰায়ণৰ পৃষ্ঠপোষকতা,
- সাহিত্য, নাটকীয় পৰিৱেশনা আৰু ভক্তিমূলক গীত-মাতৰ ভূমিকা,
- কথিত ভাষাত কাহিনী, দৃষ্টান্তৰ জৰিয়তে ভক্তিধৰ্মৰ বাণী প্ৰচাৰৰ কৌশল আৰু বিৰোধী পক্ষৰ লগত বিভিন্ন উপলক্ষত ধৰ্মীয় বিতৰ্ক
- সত্ৰ আৰু গাঁৰে-গাঁৰে সত্ৰৰ শাখা স্বৰূপ নামঘৰ প্ৰতিষ্ঠা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ পঞ্চ 'ম-কাৰ' মানে কি আৰু তাত কি কি অন্তৰ্ভুক্ত ?

.....

প্ৰশ্ন নং ২ ঃ শংকৰ-মাধৱৰ মিলন ক'ত ঘটিছিল ?

.....

প্ৰশ্ন নং ৩ ঃ অনিৰুদ্ধদেৱৰ পৰা বঢ়া সত্ৰখনৰ নাম কি ?

.....



চিন্তা-চৰ্চা কৰক — ৪.১

শংকৰদেৱৰ প্ৰধান সহযোগী শিষ্যসকলৰ তালিকা কৰি তাৰে যিকোনো দুজনৰ কৰ্মৰাজিৰ সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰিবলৈ যত্ন কৰক।

৪.৪ শঙ্কৰদেৱৰ ভক্তি আন্দোলনৰ বৈশিষ্ট্য

শংকৰদেৱে আৰম্ভ কৰা ভক্তি আন্দোলনটোৰ বৈশিষ্ট্য সৰ্বভাৰতীয় জাগৰণৰ সৈতে মূলতঃ একে। যেনে — বিষ্ণুৰে কোনো এটা ৰূপক সৰ্বশ্ৰেষ্ঠ ৰূপে প্ৰতিষ্ঠা দি কেৱল তেওঁৰে প্ৰতি ভক্তি জ্ঞাপন, মূৰ্ত্তি পূজা বিৰোধিতা, জাতিভেদ অস্পৃশ্যতাৰ প্ৰতি হয় অৱহেলা বা প্ৰতিবাদ, *ভাগৱত* পুৰাণক মান্য গ্ৰন্থৰূপে গ্ৰহণ, থলুৱা ভাষাক প্ৰচাৰৰ মাধ্যমৰূপে ব্যৱহাৰ, আচাৰমূলক সৰলতা ইত্যাদি। ইয়াৰ মাজতো শংকৰদেৱৰ এই আন্দোলনৰ কিছু মৌলিকত্ব আছে। ভক্তি আন্দোলনৰ সকলোবোৰ সন্তৰ মাজত শংকৰদেৱৰ দৰে বহুমাত্ৰিক প্ৰতিভাসম্পন্ন দ্বিতীয় এজন

তুমি হৰি কৃপাময় বাহিৰত গুৰুৰূপে
অনুগ্রহ কৰি আছা মোক।
অন্তৰ্য্যামী গুৰুৰূপে তাকে সত্য কৰা মোৰ
তুৰা নামে যেন ৰতি হৌক।।

কীর্তন-ঘোষা আৰু *নামঘোষাৰ* দুয়োটা উক্তিৰ পৰা এটা কথা অনুভৱ হয় যে, লৌকিক জগতৰ প্রকৃতি, মানৱ সমাজ তথা বর্হিজগতৰ প্রতিটো সত্তাই পার্থিৱ আৰু আধ্যাত্মিক জীৱনৰ পাঠ দিব পাৰে; সেই অর্থত জগতেই গুৰুস্বৰূপ। কাৰণ জগতখন ঈশ্বৰৰে ব্যাপ্তি — আত্মা ৰূপে জীৱৰ আৰু শৰীৰ ৰূপে নশ্বৰ জগতৰ। *ভক্তি ৰত্নাকৰ* গ্রন্থত 'গুৰুসেৱাৰ মাহাত্ম্য' শীর্ষক এটা অধ্যায় আছে। তাত *ভাগৱতৰ* 10û80û32 নং শ্লোকৰ উদ্ধৃতি কৰি কোৱা হৈছে — জন্মদাতা পিতৃয়েই আদ্যগুৰু, বেদাদি শাস্ত্র অধ্যয়ন কৰোঁৱাজন দ্বিতীয় গুৰু আৰু ঈশ্বৰ জ্ঞান দিওঁতাজন তৃতীয় গুৰু। একে প্রসঙ্গতে শুকদেৱক তৃতীয় গুৰুৰ স্থানত ৰখা হৈছে। 'নিমি নৱসিদ্ধ সংবাদ'ত বিশিষ্ট গুৰুক অকপটে সেৱা কৰি, গুৰুকে ভগৱন্ত বুলি মানি ভাগৱতধর্ম শিকিবলৈ কোৱা হৈছে। মাধৱদেৱে স্পষ্টভাৱে শংকৰদেৱকে 'পৰম গুৰু', এওঁৰ বাহিৰে আন গুৰু নাই বুলি কৈ গৈছে। শংকৰদেৱৰ তিৰোধানৰ পিছত ভক্তিধর্মৰ প্রসাৰৰ লগে লগে গুৰু পৰম্পৰা এটাৰ সূচনা হ'ল।

ভক্তি ধর্মত 'দেৱ' বুলিলে একমাত্র বিষ্ণু (বা কৃষ্ণ)-কেই বুজায়। *নামঘোষাত* ইয়াৰ স্পষ্ট নিদর্শন আছে।

'নাম' — ঈশ্বৰৰ নাম। 'নাম' শব্দই কেৱল ভগৱন্তৰ সাধাৰণ পৰিচয়সূচক নামবোৰকেই বুজোৱা নাই, ভগৱন্তৰ গুণ-যশ-লীলাৰ বর্ণনাও সামৰিছে। এই 'নাম কীর্তন' কৰা হয়, কাৰণ 'কীর্তন সুখৰ নাহি সীমা'। তদুপৰি 'নাম' মায়া মর্দ্দনকাৰী।

ভক্তি ধর্মৰ আদর্শত 'ভকত'ৰ স্থানো অতিশয় গুৰুত্বপূর্ণ। *ভাগৱতত* কোৱা হৈছে — বিষ্ণু আৰু বৈষ্ণৱৰ কোনো পার্থক্য নাই। *কীর্তন-ঘোষা* ত ভকতক নিন্দা কৰাজন নামৰ দ্রোহী বুলি কৈছে। সাধনাৰ স্তৰ অনুসৰি ভকতৰ কেইবাটাও স্তৰৰ বিভাজন ভক্তি-সাহিত্যত পোৱা যায়। যিজনে সকলো জীৱৰ মাজতে ঈশ্বৰৰ অস্তিত্ব অনুভৱ কৰে, ইন্দ্রিয় ভোগৰ প্রতি যাৰ প্রবল আসক্তি নাই সেইজনক উত্তম ভকত বোলা হৈছে। ভগৱন্তও এনে ক্ষেত্রত ভকতৰ বৈশ্য হয়।

- **মূর্তি পূজাৰ বিৰোধিতা ঃ** অসমৰ ভক্তি ধর্মৰ আদর্শত মূর্তি পূজাৰ স্থান নাই। বর্তমান প্রায়ভাগ সত্রতে দেখা পোৱা বিগ্রহ স্থাপন আৰু পূজা — পৰৱর্তী কালৰ (আহোম যুগৰ) শাসক পক্ষৰ হস্তক্ষেপ আৰু ব্রাহ্মণ্যবাদৰ অনুপ্রৱেশৰ পৰিণতিহে। ভক্তি ধর্মৰ পবিত্র গ্রন্থসমূহত মূর্তিপূজাক নিন্দা কৰা হৈছে —

মাত্র প্রতিমাত যাৰ ভৈল দেৱবুদ্ধি
তীর্থ বুলি কেৱল জলত কৰে শুদ্ধি।
মহা মহন্তত নাহি ইটো বুদ্ধি চাৰি

শংকৰদেৱে দয়া প্ৰকাশ কৰাত ভকতসকলে প্ৰশ্ন কৰিলে। তেতিয়া শংকৰদেৱে ডকাইতজনো যে ভগৱন্তৰে জীৱ সেই দৃষ্টিৰে বিদ্বেষ ভাব এৰিবলৈ বুজালে।

ভক্তি ধৰ্মই অসমীয়া মানুহৰ ব্যৱহাৰিক জীৱনৰ আচাৰ-সংস্কাৰ, পৰিষ্কাৰ-পৰিচ্ছন্নতাতো প্ৰভাৱ পেলালে। ভক্তি ধৰ্মৰ পৰম্পৰাত শৰণ-ব্যৱস্থা কেৱল ধৰ্মীয় আদৰ্শ আৰু আচাৰ-ৰীতিতে আবদ্ধ নহয়, দৈনন্দিন জীৱনৰ কৰণীয়, বৰ্জনীয় কাৰ্যৰ ক্ষেত্ৰতো শৰণ ব্যৱস্থাৰ ভূমিকা আছে। শৌচ কৰি ভালদৰে শৰীৰ পৰিষ্কাৰ কৰা, নিচাজাতীয় দ্ৰব্য ত্যাগ, পাকঘৰত সোমোৱাৰ আগতে গা-ধোৱা, পাকঘৰৰ বাবে আচুতীয়া সাজ ইত্যাদি বিষয়ত 'শৰণ লোৱা' সময়ত শিকা কথা শৰণীয়াসকলে নিষ্ঠাৰে পালন কৰে। তদুপৰি অতিথিৰ প্ৰতি শ্ৰদ্ধা আৰু আন্তৰিক শুশ্ৰূষা, ভকত বৈষ্ণৱৰ প্ৰতি শ্ৰদ্ধা-ভক্তি, পিতৃ-মাতৃৰ প্ৰতি কৰ্তব্য আদি সাৰ্বজনীন মানৱীয় প্ৰমূল্য হ'লেও ভক্তি ধৰ্মই এইবোৰক চেতনাৰ লগত একাত্ম কৰি অসমীয়া মানুহৰ জাতীয় চৰিত্ৰৰূপে গঢ়ি তুলিলে।

- **কলা-পৰম্পৰা ঃ** ভক্তি ধৰ্মই ধৰ্মীয় সাধন পদ্ধতিত কলাৰূপ কিছুমান সংযোগ কৰি অভিনৱ ধৰ্মীয় আদৰ্শ এটা তুলি ধৰিলে। অসমৰ সামাজিক জীৱনত এই কলা-পৰম্পৰা এতিয়া ধৰ্মীয় বিষয় হৈ থকা নাই, নাস্তিকজনেও উপভোগ কৰিব পৰা বা অবৈজ্ঞানিকজনেও পৰিৱেশন কৰিব পৰা এক বহল আৰু উচ্চ পৰ্যায়ৰ সাংস্কৃতিক নিৰ্মাণ ৰূপে বিকশিত হৈছে। এই পৰম্পৰাকে 'শংকৰী সংস্কৃতি', 'সত্ৰীয়া সংস্কৃতি' বোলা হয়। 'শংকৰী সংস্কৃতি' বা 'সত্ৰীয়া সংস্কৃতি' সংস্কৃতিৰ বিভিন্ন সংৰচনাবোৰ এক জীৱন্ত পৰম্পৰাৰূপে ভক্তিধৰ্মৰ বিকাশ কালৰ পৰা সাম্প্ৰতিক কাললৈকে পৰিৱৰ্তিত আৰু পৰিৱৰ্ধিত ৰূপত প্ৰৱাহিত হৈ অহা ঘটনাই অসমৰ জনগণৰ মাজত ইয়াৰ গভীৰ প্ৰভাৱকে সূচায়।

'ৰৰগীত'বোৰ অসমৰ মাৰ্গীয় সংগীত। ভক্তিধৰ্মৰ বুকুতে ইয়াৰ সৃষ্টি। ৰৰগীতৰ ভাব-ভাষা আৰু সুৰে চৌদিশৰ পৰা ভক্তিধৰ্মৰ কেন্দ্ৰাভিমুখী জনপ্ৰৱাহ এটা সৃষ্টি কৰিছিল। একেদৰে অংকীয়া ভাওনাৰ মাজেদি অসমৰ লোকনাট্য পৰম্পৰাই পদ্ধতিগত নাট্যাভিনয়ৰ সচেতন নিৰ্মাণলৈ গতি কৰিছিল। আনকথাত, 'অংকীয়া নাট'ৰ মাজেদিয়েই অসমীয়া নাট্য পৰম্পৰাৰ সূচনা হৈছিল। 'অংকীয়া নাট'ৰ পৰিৱেশ্য ৰূপেই 'অংকীয়া ভাওনা' বা 'ভাওনা'। ভক্তি ধৰ্মৰ বাণী ৰুচিপূৰ্ণ মনোৰঞ্জনৰ মাজেদি দৃশ্য-শ্ৰাব্য ৰূপত জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিয়েই শংকৰদেৱে অংকীয়া ভাওনাৰ সৃষ্টি কৰিলে। শংকৰদেৱৰ পাছত মাধৱদেৱ আৰু পৰৱৰ্তী সময়ত সত্ৰসমূহৰ সৃষ্টিশীল সত্ৰাধিকাৰসকলে শংকৰদেৱ-মাধৱদেৱৰ আদৰ্শতে নাট ৰচনা আৰু অভিনয়ৰ ধাৰা এটা প্ৰৱাহিত কৰি ৰাখিলে। শংকৰদেৱৰ নাটকেইখনৰ সংলাপৰ ভাষা ব্ৰজাৱলী, বিষয়বস্তু মূলত *ভাগৱত* কেন্দ্ৰিক। পৰৱৰ্তী সময়ত বিভিন্ন পু�ৰাণৰ কাহিনীৰে আধুনিক অসমীয়া ভাষাতো অলেখ নাট ৰচিত হ'ল আৰু গাঁৱে গাঁৱে নামঘৰে-নামঘৰে সেই 'নাট মেলি' ভাওনা পতা পৰিলক্ষিত হ'ল। এনেদৰে খাটিখোৱা অসমীয়া গ্ৰাম্যজীৱনত ভাওনা এক সাংস্কৃতিক পৰিচয়সূচক উপাদান হৈ পৰিল। গীত-বাদ্য-নৃত্য, পোহৰ-ব্যৱস্থা, মঞ্চসজ্জা, বেশভূষা, কাহিনী-সংলাপ-চৰিত্ৰৰ

অনুশাসনৰ দিশতো সত্ৰৰ স্থান ৰজাঘৰৰ পিছতে বুলিব পাৰি। সত্ৰীয়া বিষয়ৱবীয়া খাটনিয়াৰে অধিকাৰৰ প্ৰধান প্ৰতিনিধি হিচাপে যিদৰে ৰজাঘৰৰ লগত যোগাযোগ ৰাখিছিল, একেদৰে ৰাজমেধি, মেধি আদিয়ে গাঁৱৰ শিষ্যসকলৰ লগত যোগাযোগ ৰাখিছিল আৰু গুৰুকৰ সংগ্ৰহ কৰিছিল।

'ৰজাৰ খাজনা গুৰুৰ কৰ' — এই প্ৰবচন ফাঁকিয়েই সত্ৰৰ প্ৰতি জনসমাজৰ আনুগত্যৰ নিদৰ্শন দাঙি ধৰে। সত্ৰৰ প্ৰৱল জনবলৰ বাবেই ৰজাঘৰে সত্ৰসমূহলৈ পৃষ্ঠপোষকতা আগবঢ়াই নিজৰ পক্ষত ৰাখিব বিচাৰিছিল। অন্যহাতে ব্ৰাহ্মণ্য বিধি ব্যৱস্থা আৰু বৰ্ণবিভাজিত সমাজ ব্যৱস্থা দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰি ভক্তিধৰ্মৰ গণতান্ত্ৰিক প্ৰৱাহটোক কোঙা কৰি পেলাব খুজিছিল। কিন্তু এই ক্ষেত্ৰত ৰজাঘৰ যে সম্পূৰ্ণ সফল নহ'ল তাৰ প্ৰমাণ পোৱা যায় ঐতিহাসিক মায়ামৰীয়া বিদ্ৰোহৰ মাজত। অৱশ্যে ৰজাঘৰৰ কূটনীতিৰ ফলতে ভক্তি ধৰ্মৰ প্ৰৱাহটো বিভাজিত হৈ বহু পৰিমাণে স্থৱিৰ প্ৰায় আৰু সংকীৰ্ণ হৈ পৰিল।

সত্ৰৰ অংগৰূপে থকা নামঘৰৰ উপৰি গাঁৱে-গাঁৱে থকা নামঘৰবোৰক কেন্দ্ৰ কৰিও ভক্তি ধৰ্মৰ প্ৰৱাহটো চলি থাকিল। সত্ৰসমূহত বৰ্ণবাদী আচাৰ-ৰীতিৰ প্ৰৱেশ আৰু ৰাজন্য আভিজাত্য প্ৰৱল হৈ অহাৰ বিপৰীতে নামঘৰবোৰৰ মাজেদি গণতান্ত্ৰিক চেতনাটোৱেই প্ৰৱাহিত হৈ থাকিল। নামঘৰক কেন্দ্ৰ কৰিয়েই গাঁওসমূহত একোটা খেল, একোখন সমাজ, নামঘৰেই গ্ৰাম্যসমাজৰ ধৰ্মীয় কৃত্য, উৎসৱ-পাৰ্বন, ভাওনা-অভিনয়, সভা-সমিতিৰ কেন্দ্ৰ। বিৰিঞ্চি কুমাৰ বৰুৱাই নামঘৰক জাতীয় নাটশাল বুলিছে। নামঘৰৰ বিষয়ৱবীয়া নিৰ্বাচনতো জাত-কুলৰ বিচাৰ কৰা নহয়। নামঘৰত সকলোৰে প্ৰৱেশাধিকাৰ আছে। যিকোনো ৰাজহুৱা কাৰ্যৰ বাবে নামঘৰতে সংকল্প লোৱা হয়। নামঘৰৰ বাবে প্ৰয়োজনীয় পুঁজি সংগ্ৰহ কৰা হয় ৰাইজৰ বৰঙণি, সমবায় ভিত্তিক শ্ৰমদান, ন্যায় বিচাৰৰ পৰা অহা অৰ্থদণ্ড আৰু ধৰ্মীয় কৃত্যৰ আঁচনিৰ পৰা। নামঘৰবোৰ বহুক্ষেত্ৰত সত্ৰৰ উপকেন্দ্ৰ স্বৰূপ। নামঘৰৰ বিষয়ৱবীয়াৰ মাজত সত্ৰৰ প্ৰতিনিধিও থাকে। নামঘৰত ৰাইজে দোষীক দণ্ড বিহে আৰু আহোম ৰাজত্ব কালৰ এই বিচাৰৰ ৰায় ৰজাঘৰেও মানি লৈছিল।

নামঘৰক কেন্দ্ৰ কৰি গাঁৱৰ শিল্পকলা চৰ্চাইও প্ৰাণ পাই আছে। জেষ্ঠ্যজনৰ পৰা নতুন প্ৰজন্মই খোল, বাদ্য শিকে, নৃত্য-গীত অভিনয় শিকে। গাঁৱৰ প্ৰতি গৰাকী ন-শিপিনীয়ে প্ৰথমখনি (নিজ হাতে বোৱা) বস্ত্ৰ নামঘৰলৈ দান দিয়ে। একেদৰে বিচনী, খৰাহী, কঠ, ঢাৰি, ৰাইজে নিজে তৈয়াৰ কৰি নামঘৰলৈ দিয়ে। বাৰীৰ কলঠোকাৰে নামঘৰত শৰাই এভাগ দিয়া, ন-চাউল মুঠি ভকতত লগোৱা আদি মনোভাৱৰ মাজত ধৰ্মীয় পৱিত্ৰতাই কেৱল নহয়, এক উচ্চ নৈতিক ভাবৰো প্ৰকাশ ঘটে। সত্ৰ আৰু নামঘৰৰ লগতে সত্ৰীয়া পৰিৱেশ্য কলা সম্পৰ্কে ইতিমধ্যে আপুনি বিভিন্ন অধ্যায়ত অধ্যয়ন কৰি আহিছে। সেই অধ্যায় কেইটাও এইটো শাখাৰ বাবে আপুনি অধ্যয়ন কৰিব।

2) গোস্বামী, প্রণতি শর্মা (সম্পাঃ)(2007); *ভক্তি আন্দোলন আৰু শংকৰদেৱ;* গুৱাহাটী ঃ প্রাগজ্যোতিষ কলেজ।

3] গোঁহাই, হীৰেন (1990); *অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা;* গুৱাহাটী ঃ লয়ার্চ বুক ষ্টল।

4) চলিহা, ভৱপ্রসাদ (সম্পাঃ)(2000); *শংকৰী সংস্কৃতি অধ্যয়ন;* গুৱাহাটী ঃ শ্রীমন্ত শংকৰদেৱ সংঘ।

5) দত্ত, অণিমা [2003]Ê, *অসমৰ বৈষ্ণৱ সাহিত্য আৰু দর্শন;* গুৱাহাটী ঃ লয়ার্ছবুক ষ্টল।

6) দেৱগোস্বামী, কেশৱানন্দ (2005); *শংকৰদেৱ অধ্যয়ন প্রসঙ্গ ঃ ঐতিহ্য আৰু পৰম্পৰা;* গুৱাহাটী ঃ বাণীমন্দিৰ।

7) নেওগ, মহেশ্বৰ (1999); *শ্রীশঙ্কৰদেৱ;* গুৱাহাটী ঃ চন্দ্রপ্রকাশ।

8) বর্মন, শিৱনাথ (1997); *শ্রীমন্ত শংকৰদেৱ কৃতি আৰু কৃতিত্ব;* গোলাঘাট ঃ পুথিতীর্থ।

9) বর্মন, শিৱনাথ (সম্পাঃ) (1997); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

10] মহন্ত, প্রদীপ জ্যোতি (2007); *শংকৰদেৱৰ শিল্পলোক;* গুৱাহাটী ঃ পূর্বাঞ্চল প্রকাশ।

11) মহন্ত, প্রদীপজ্যোতি (সম্পাঃ)(2000); *শ্রীমন্ত শংকৰদেৱ সমাজ আৰু সংস্কৃতি;* গুৱাহাটী ঃ পূৱেৰুণ প্রকাশন।

12) ৰায়চৌধুৰী, অনিল (2010); *অসমৰ সমাজ ইতিহাসত নৱবৈষ্ণৱবাদ;* গুৱাহাটী।

13] শর্মা, উপেন্দ্রনাথ (1994); *বৈষ্ণৱ ভক্তি-ধাৰা আৰু সন্ত কথা;* গুৱাহাটী ঃ বৰুৱা এজেঞ্চী।

14] শর্মা, তীর্থনাথ (1989); *পঞ্চপুষ্প;* গুৱাহাটী ঃ শ্রীমতি নির্ম্মলা দেৱী।

15] শর্মা, তীর্থনাথ (1995); *ভক্তিবাদ;* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

ইংৰাজী গ্রন্থ

16) Baruah, B. K. (1969). *A Cultural History of Assam*. Guwahati: Lawyer's Book Stall.

17) Choudhury, P. C. (1966). *History and Civilization of the People of Assam*. Guwahati.

18] Goswami, S. C. (1946). *Introducing, Assam Vaisnavism.* Guwahati: Gauhati University.

19) Mahanta, P. J. (2007). *The Sankardeva Movement: Its Cultural Horizons.* Guwahati: Purbanchal Prakash.

20] Neog, M. (1965). *Sankardeva and His Times : Early History of the Vaisnava Faith and Movement in Assam.* Guwahati: Gauhati University.

21) Sarma, S. N. (1966). *The Neo Vaisnavite Movement and The Satra Institution of Assam.* Guwahati: Gauhati University.

প্ৰশ্ন ২ ঃ শংকৰদেৱে ভক্তিধৰ্ম প্ৰচাৰৰ বাবে কেনে মাধ্যম আৰু ব্যৱস্থা গ্ৰহণ কৰিছিল ? আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ অসমত শংকৰদেৱ আন্দোলনটোৱে ধৰ্মীয়-সামাজিক দিশত কেনে পৰিৱৰ্তন আনিলে ? এই পৰিৱৰ্তনৰ প্ৰভাৱ বৰ্তমান সময়তো অনুভৱ কৰিব পাৰিনে ? আলোচনা কৰক।

*** ***** ***